RNI R[redacted]

# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

ফোন নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ১৫৪ সোমবাৰ ৬ ব'হাগ ১৯৪৮ শক ২০ এপ্ৰিল ২০২৬ চন ASOMIY

...দ্যান
...নন ঃ
...ৰ্মাণ
...-পত্ৰ

...ৰাষ্ট্ৰীয় উদ্যানৰ হুকুমা
...দাবী উত্থাপন কৰিছে
...গগৈ, সম্পাদক জয়ন্ত
...াকাখাতৰ চক্ৰ বিষয়াক
...হীনভাৱে জৈব-বৈচিত্ৰ্য
...ৰ পাৰিপাৰ্শ্বিক অৱস্থাত
...জ অৱগত নহয়। জৈব-
...কয় যে যদিহে এই খনন
...ভাগ, বন বিভাগ, মীন,
...ৰি কৰিব লাগিছিল বুলি
...ৰ লগতে ক্ষেত্ৰ পৰিদৰ্শন
...খিল কৰা বুলিও স্মাৰক-
...ক্ষণিকভাৱে বন্ধ কৰি,

### অংশগ্ৰহণ কৰিব দেশৰ ১৫ খন উচ্চমানৰ বিশ্ববিদ্যালয়ে

# কানৈ মহাবিদ্যালয়ত উত্তৰ-পূৱ শৈক্ষিক সন্মিলন ২.০ৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ এপ্ৰিল ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্যোগত আৰু স্পীয়েৰৰ সহযোগত ২০ আৰু ২১ এপ্ৰিলত দুদিনীয়া কাৰ্যসূচীৰে কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব উত্তৰ-পূৱ শৈক্ষিক সন্মিলন। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা সন্ধ্যা ৬ বজালৈকে অনুষ্ঠিত হ'বলগীয়া শৈক্ষিক সন্মিলনখনত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পোন্ধৰখনৰো অধিক উচ্চমানৰ শিক্ষানুষ্ঠান তথা বিশ্ববিদ্যালয়ে অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়সমূহত থকা বিভিন্ন ধৰণৰ উচ্চ মান বিশিষ্ট শৈক্ষিক কাৰ্যসূচীসমূহৰ বিষয়ে ডিব্ৰুগড় তথা দাতিকাষৰীয়া অঞ্চলৰ উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলে সেই বিশ্ববিদ্যালয় অথবা শিক্ষানুষ্ঠানৰ উচ্চ পদস্থ বিষয়াসমূহৰ পৰা তথ্য লাভ কৰিব পাৰিব। উদ্যোক্তা সমিতিৰ হৈ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই জনোৱা মতে, অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে এই অনুষ্ঠানৰ জড়িয়তে উচ্চমানৰ শিক্ষানুষ্ঠান তথা বিশ্ববিদ্যালসমূহত বৰ্তমান সময়ত প্ৰচলিত বিভিন্ন কাৰিকৰী, ব্যৱস্থাপনামূলক তথা বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব। মনকৰিবলগা যে ষ্টেট বেংক অৱ ইণ্ডিয়া আৰু সামৰিক বাহিনীৰ বিষয়ববীয়াসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা আহৰণৰ ক্ষেত্ৰত লাভ কৰিব পৰা বিভিন্নধৰণৰ শিক্ষা সম্পৰ্কীয় ঋণৰ লগতে সামৰিক বাহিনীত যোগদান কৰাৰ বিভিন্ন তথ্য লাভ কৰিব। সম্পূৰ্ণ ৰূপে বিনামূলীয়া এই অনুষ্ঠানত অংশগ্ৰহণৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়ে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে জানিব পাৰিব আৰু লগতে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয় সমূহৰ পৰা একোটাকৈ উপহাৰ লাভ কৰাৰ সুবিধাও পাব। অনুষ্ঠানত কানৈ মহাবিদ্যালয় তথা স্পীয়েৰৰ লগতে 'এনডি-২৪' আৰু ৬২ বছৰ পুৰণি অসমৰ অন্যতম শক্তিশালী দৈনিক কাকত 'দৈনিক অসম' মেডিয়া পাৰ্টনাৰ হিচাপে থাকিব বুলি উদ্যোক্তা সমিতিয়ে জানিবলৈ দিছে।